# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 24-09-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

ooooooooo

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, হিচাপ নিকাচ ফলপ্ৰসূভাৱে সম্পন্ন কৰাৰ বাবে হিচাপ নিকাচ ব্যৱস্থাটো প্ৰযুক্তিৰ উত্থানৰ অনুৰূপ হ'ব লাগে।

২। ত্ৰিপুৰাত আজি নেচনেল ফ্ৰন্ট অৱ ত্ৰিপুৰা এন এল এফ টি আৰু অল ত্ৰিপুৰা টাইগাৰ ফোৰ্চ এ টি টি এফৰ ৫শৰো অধিক উগ্ৰপন্থীয়ে অস্ত্ৰ সম্বৰণ কৰে আৰু হিংসাৰ পথ পৰিহাৰ কৰি মূল সূতীলৈ ঘুৰি আহে।

৩। জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত কাইলৈ ভোটগ্ৰহণ মুক্ত, নিকা আৰু সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে।

৪। এছ এণ্ড পি নামৰ গোলকীয় ৰেটিং সংস্থাটোৱে ২০২৪-২৫ বিত্তীয় বৰ্ষত ভাৰতৰ বিকাশ হাৰ ৬ দশমিক ৮ শতাংশ হব বুলি পূৰ্বতে কৰা অনুমান অটুত ৰাখিছে। ***আৰু***

৫। নতুন দিল্লীৰ এইমছ আৰু ইনটুইটিভ নামৰ প্ৰযুক্তি প্ৰতিষ্ঠানটোৱে ৰ'ব'টৰ সহায়ত অস্ত্ৰোপচাৰৰ বাবে নতুন প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ উদ্দেশ্যে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

ooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, হিচাপ নিকাচ ফলপ্ৰসূভাৱে সম্পন্ন কৰাৰ বাবে হিচাপ নিকাচ ব্যৱস্থাটো প্ৰযুক্তিৰ উত্থানৰ অনুৰূপ হ'ব লাগে। নতুন দিল্লীত আজি সৰ্বোচ্চ হিচাপ নিকাচ প্ৰতিষ্ঠানসমূহৰ এছিয় সংস্থাৰ ষষ্ঠদশ সভা উদ্বোধন কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, ৰাজহুৱা খণ্ডৰ হিচাপ নিকাচ ব্যৱস্থাৰ ক্ষমতাৰ পৰিধিয়ে পৰম্পৰাগত হিচাপ নিকাচ ব্যৱস্থাৰ পৰিধিক চেৰ পেলাই গৈছে। ইয়াৰ ভিতৰত জন কল্যাণ আঁচনি আৰু প্ৰকল্পৰ ফলপ্ৰসূতা মূল্যায়নৰ নিচিনা বিষয়সমূহো অন্তৰ্ভুক্ত হৈছে। তেওঁ কয় যে, বৰ্তমানৰ প্ৰযুক্তি চালিত বিশ্বত প্ৰযুক্তিৰ ব্যৱহাৰ কৰি অধিকতৰ সাৰ্বজনিক সেৱা ক্ষীপ্ৰভাৱে প্ৰদান কৰা হৈছে। তেওঁ লগতে কয় যে সম্প্ৰতি বিশ্বৰ সম্প্ৰতি এনে এক সন্দিক্ষণত উপনীত হৈছে য'ত কৃত্ৰিম বুদ্ধিমত্তা, তথ্য বিশ্লেষণ, মেচিন লাৰ্নিং আৰু ভূস্থানীক প্ৰযুক্তিৰ দৰে উদীয়মান ডিজিটীয় প্ৰযুক্তি আধুনিক শাসন ব্যৱস্থাত মেৰুদণ্ডস্বৰূপ হৈ পৰিছে। ডিজিটীয় ৰাজহুৱা আন্তঃগাথনি ডিপিআই ডিজিটীয় অৰ্থব্যৱস্থাৰ কাম-কাজ আৰু নাগৰিকসকলক প্ৰদান কৰা বিভিন্ন সেৱাৰ প্ৰসাৰৰ ভেটিৰূপে কাম কৰে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে। তেওঁ কয় যে, ডিপিআইৰ ডিজিটীয় পৰিচয়ৰ পৰা ই প্ৰশাসন প্লেটফৰ্মলৈকে সকলো ক্ষেত্ৰতে ৰাজহুৱা সেৱা আৰু সা-সামগ্ৰী প্ৰদানৰ ক্ষেত্ৰত যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা কৰাৰ, তেনে সেৱা সমূহ অধিক সুলভ, দক্ষ আৰু সৰ্বাত্মক কৰি তোলাৰ সামৰ্থ আছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয় যে বিশ্বৰ বিভিন্ন অংশত মহিলা আৰু সমাজৰ দুৰ্বল শ্ৰেণীসমূহৰ বাবে ডিজিটী পদ্ধতি

এতিয়াও দুৰ্লভ হৈ আছে আৰু ইয়াৰ ফলস্বৰূপে ডিজিটীয় অৰ্থ্যৰস্থাত এনে লোকৰ প্ৰতিনিধিত্বও কম হৈ আছে। তেওঁ কয় যে, এই ব্যৱধানে অকল তেওঁলোকৰ আৱশ্যকীয় সেৱা লাভৰ সামৰ্থ সীমিত কৰা নাই বৰং অসমানতাও বৃদ্ধি কৰিছে। এই ক্ষেত্ৰত সৰ্বোচ্চ হিচাপে নিকাচ পৰীক্ষণ সংস্থাৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি ৰাষ্ট্ৰপতিয়ে মন্তব্য কৰে। তেওঁ কয় যে, হিচাপ নিকাচ পৰীক্ষক হিচাপে সকলোৰে বাবে সুলভ আৰু সৰ্বাত্মক ডিজিটীয় ৰাজহুৱা আন্তগাথনি বিকশাই তোলা আৰু ৰূপায়ণ কৰাটো তেওঁলোকৰ দায়িত্ব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে কয় যে নিয়ন্ত্ৰক আৰু মহালেখা পৰিক্ষকে ভাৰতৰ ৰাজহুৱা বিত্ত ব্যৱস্থাত স্বচ্ছতা আৰু উত্তৰ দায়িত্ব সুনিশ্চিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সংবিধানে নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকক ব্যাপক কৰ্তৃত্ব আৰু সম্পূৰ্ণ স্বতন্ত্ৰতা প্ৰদান কৰিছে বুলি ৰাষ্ট্ৰপতিয়ে মন্তব্য কৰে। শ্ৰীমতী মুৰ্মুৰে কয় যে, নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ কাৰ্যালয়ে সংবিধান প্ৰণেতাসকলৰ আশা আকাংক্ষা পূৰণ কৰিবলৈ সমৰ্থ হৈছে। এই ৪ দিনীয়া সন্মিলনত স্বচ্ছতা আৰু উত্তৰ দায়িত্ব সুনিশ্চিত কৰাত সৰ্বোচ্চ হিচাপ নিকাচ পৰীক্ষণ প্ৰতিষ্ঠানসমূহৰ নতুন ভূমিকাৰ বিষয়ে আলোচনা অনুষ্ঠিত হ'ব। ০০০০০

০০০

ত্ৰিপুৰাত আজি নেচনেল ফ্ৰণ্ট অৱ ত্ৰিপুৰা এন এল এফ টি আৰু অল ত্ৰিপুৰা টাইগাৰ ফোৰ্চ এ টি টি এফৰ ৫শৰো অধিক উগ্ৰপন্থীয়ে অস্ত্ৰ সম্বৰণ কৰে আৰু হিংসাৰ পথ পৰিহাৰ কৰি মূল সূতীলৈ ঘুৰি আহে। এই উপলক্ষে চপাহিজালা জিলাৰ অধীনৰ জাম্পুই জালাত আয়োজিত অনুষ্ঠানত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ডাঃ মানিক সাহা, মুখ্য সচিব জে কে সিনহা, আৰক্ষী সঞ্চালক প্ৰধান, অমিতাভ ৰঞ্জন আৰু জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। মুখ্যমন্ত্ৰী ডাঃ মানিক সাহাই অনুষ্ঠানত অংশ লৈ কয় যে, উগ্ৰপন্থীগোটৰ সদস্যসকলে মূলসূতিত যোগদান কৰাৰ ফলত ৰাজ্যখনৰ উন্নয়ন প্ৰক্ৰিয়াই গতি লাভ কৰিব। তেঁও কয় যে, কেন্দ্ৰীয় চৰকাৰৰ সৈতে উত্তৰ পূৰ্বাঞ্চলৰ উগ্ৰপন্থী সংগঠনসমূহৰ মুঠ ১২ খন চুক্তি স্বাক্ষৰিত হৈছে। এই চুক্তিসমূহে অঞ্চলটোলৈ শান্তি ঘুৰাই অনাত সহায় কৰিছে বুলিও তেওঁ প্ৰকাশ কৰে।

০০০

জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত কাইলৈ ভোটগ্ৰহণ মুক্ত, নিকা আৰু সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। এই পৰ্যায়ত ছখন জিলাৰ ২৬টা বিধানসভা সমষ্টি সামৰি লোৱা হৈছে। নিৰ্বাচন হ'বলগীয়া জিলাকেইখনৰ ভিতৰত জম্মু অঞ্চলৰ ৰিয়াছি, ৰাজৌৰি আৰু পুঞ্চ তথা কাশ্মীৰ উপত্যকাৰ শ্ৰীনগৰ, গান্দেৰবল আৰু বুডগাম আছে। এই পৰ্যায়ত প্ৰায় ২৫ লাখ ৭৮ হাজাৰ ভোটদাতাই ২৩৯ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা আগশাৰীৰ প্ৰাৰ্থীসকলৰ ভিতৰত ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাহ, পি চি চি ইউ টিৰ মুৰববী তাৰিক হামিদ কৰ্ৰা আৰু অপনী পাৰ্টীৰ সভাপতি আলতাফ বুখাৰি অন্যতম। ভোটগ্ৰহণ সুকলমে সম্পন্ন কৰাৰ বাবে মুঠ ৩হাজাৰ ৫০২ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু আটাইকেইটা কেন্দ্ৰতে ১০০ শতাংশ ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত ২৪টা ভোটগ্ৰহণ কেন্দ্ৰত ১৫ হাজাৰ ৫০০ ৰো অধিক দেশৰ বিভিন্ন প্ৰান্তত বাস কৰা কাশ্মীৰি পণ্ডিতে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব। নিৰ্বাচনী প্ৰক্ৰিয়া তদাৰক কৰি থকা সাহায্য আৰু পুনৰ্বাসন আয়ুক্ত অৰবিন্দ কৰৱানীয়ে কৈছে যে জম্মু-কাশ্মীৰত এনে ধৰণৰ ১৪ হাজাৰ ৭০০ ৰো অধিক পঞ্জীকৃত ভোটদাতা আছে।

কেন্দ্ৰীয় শাসিত অঞ্চলটোত তিনিটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হৈছে। ১৮ ছেপ্তেম্বৰত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ৬১ শতাংশৰো অধিক ভোটগ্ৰহণ হয়। ১ অক্টোবৰত নিৰ্বাচনৰ তৃতীয় তথা অন্তিম পৰ্যায়ৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। ৮ অক্টোবৰত ভোটগণনা কৰা হ'ব।

০০০

এছ্ এণ্ড পি নামৰ গোলকীয় ৰেটিং সংস্থাটোৱে ২০২৪-২৫ বিত্তীয় বৰ্ষত ভাৰতৰ বিকাশ হাৰ ৬ দশমিক ৮ শতাংশ হব বুলি পূৰ্বতে কৰা অনুমান অটুত ৰাখিছে। এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ বাবে ত্ৰিমাষিক অৰ্থনৈতিক দৃষ্টিভংগী জাৰি কৰি সংস্থাটোৱে কৈছে যে, ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ জুনত সমাপ্ত হোৱা ৩ মহীয়া সময়ছোৱাত উচ্চ সুদৰ হাৰৰ বাবে নগৰ অঞ্চলত চাহিদা হ্ৰাস পোৱাৰ বাবে কিছু কম হয়। কালি সংস্থাটোৱে লগতে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ভাৰতৰ বিকাশ হাৰ ৬ দশমিক ৯ শতাংশ হব বুলি পূৰ্বতে কৰা অনুমান অটুত ৰাখিছে। ইপিনে, সংস্থাটোৱে ২০২৫ বিত্তীয় বৰ্ষত চীনৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ ৪ দশমিক ৩ শতাংশলৈ হ্ৰাস কৰিছে। একেদৰে সংস্থাটোৱে ২০২৪ বৰ্ষৰ বাবে চীনৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ সম্পৰ্কীয় পূৰ্বানুমান ৪ দশমিক ৮ শতাংশৰ পৰা ৪ দশমিক ৬ শতাংশলৈ হ্ৰাস কৰিছে।

০০০

নতুন দিল্লীৰ এইমছ্ আৰু এটা প্ৰযুক্তি কোম্পানী ইনটুইটিভে আজি ৰ'ব'টিক সহায়ক অস্ত্ৰোপচাৰৰ নতুন প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এইমছে দ্যা ভিঞ্চি ৰবটিক সহায়ক প্ৰশিক্ষণ কেন্দ্ৰটোৱে ইউৰোল'জি, গায়ন'ক'লজি, সাধাৰণ অস্ত্ৰোপচাৰ আদি সম্পন্ন কৰিব পৰাকৈ দক্ষ শল্য চিকিৎসকৰ দলক প্ৰশিক্ষণ দিয়াৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

এইমছ্‌ৰ সঞ্চালক ডাঃ শ্ৰীনিবাসে কয় যে প্ৰতিষ্ঠানটোত অভিজ্ঞ ৰবটিক শল্য চিকিৎসকসকল আছে যিয়ে নতুন শল্য চিকিৎসকসকলক প্ৰশিক্ষণ প্ৰদান কৰিব। তেওঁ আৰু লগতে কয় যে কেন্দ্ৰটোৱে সমগ্ৰ ভাৰততে অস্ত্ৰোপচাৰৰ দক্ষতা বৃদ্ধি কৰিব আৰু ৰোগীৰ যত্নৰ মানদণ্ড উন্নীত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

অস্ত্ৰোপচাৰ বিভাগৰ অধ্যাপক ডাঃ ভি কে বানচালে কয় যে, এই বুজাবুজিৰ চুক্তিৰ জৰিয়তে এইমছ্ নতুন দিল্লীয়ে ৰবটিক অস্ত্ৰোপচাৰৰ প্ৰশিক্ষণৰ বাবে সকলো সুবিধা লাভ কৰিব। তেওঁ আৰু লগতে কয় যে এই কেন্দ্ৰটোত এইমছ্‌ৰ শল্য চিকিৎসকসকলৰ লগতে বাহিৰা চিকিৎসকসকলেও ৰবটিক সহায়ক অস্ত্ৰোপচাৰ শিকাৰ সুবিধা লাভ কৰিব।

০০০

বিজেপিৰ ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ সহ প্ৰভাৰী হিমন্ত বিশ্ব শৰ্মাই আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত হেমন্ত চোৰেণ চৰকাৰে ভালেমান ঘোষণা কৰা বুলি অভিযোগ উত্থাপন কৰিছে। ৰাছীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীশৰ্মাই কয় যে, ৰাজ্যখনত বৰ্তমানৰ চৰকাৰখনে জনসাধাৰণৰ কল্যাণৰ ক্ষেত্ৰত সচাকৈ গুৰুত্ব আৰোপ কৰা হলে নিৰ্বাচনৰ ঠিক আগতে নহয় বৰং বহু আগতেই পদক্ষেপ ল'লেহেতেন।

০০০

সমাপ্ত